No. of Printed Pages—2

43 (ASS)

[17–HDGKACRM–M1]

MA 1st Semester Exam., 2017

ASSAMESE

[MAS 04]

(Asomiya Sanskriti)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমু উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) সংস্কৃতিৰ প্ৰধান উপাদানকেইটা উল্লেখ কৰক।

(b) সংস্কৃতিৰ ত্ৰিধাৰা সম্পৰ্কে চমুকৈ লিখক।

(c) কোনকেইটা জনগোষ্ঠীক কিৰাত আখ্যাৰে আখ্যায়িত কৰা হয়, লিখক।

(d) নগাসকলৰ ভাষা সম্পৰ্কত হৰিপ্ৰসাদ ৰায়ে কোৱা কথাখিনিৰ অৰ্থ ব্যাখ্যা কৰক।

(e) 'কামাখ্যা' আৰু 'লুইত' শব্দ দুটাৰ মূল উৎস বিচাৰ কৰক।

(f) কোনখন পু�ৰাণত হাজোৰ মণিকূট পীঠৰ উল্লেখ পোৱা যায়, লিখক আৰু এই পীঠখনৰ প্ৰধান বৈশিষ্ট্য দেখুৱাওক।

2. তলৰ যি কোনো তিনিটাৰ চমু টোকা লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) অসমীয়া ওমোলা গীত

(b) যোগিনীতন্ত্ৰ

(c) চিত্ৰভাগৱত

(d) বাথৌ পূজা

3. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) পুৰণি অসমৰ লোকনাট্যসমূহৰ পৰিচয় দি 'ওজাপালি'ৰ বৈশিষ্ট্যসমূহ নিৰ্ণয় কৰক।

(b) 'পুৰণি অসমৰ ধৰ্ম' সম্পৰ্কে নাতিদীৰ্ঘ আলোচনা আগবঢ়াওক।

(c) 'কামৰূপীয়া ঢুলীয়া' অনুষ্ঠানৰ বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুৱাওক।

(d) 'কুশান-গান'ৰ পৰিৱেশন-পদ্ধতি সম্পৰ্কে আলোচনা কৰক।

4. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) 'অসমীয়া সংস্কৃতি সংমিশ্ৰণৰ সংস্কৃতি' এই বিষয়ে এটি প্ৰবন্ধ লিখক।

(b) অসমীয়া লোকসঙ্গীতৰ ঐতিহ্য আৰু তাৎপৰ্য বিশ্লেষণ কৰক।

(c) অসমৰ উৎসৱ-পাৰ্বণ কেন্দ্ৰিক গীতসমূহৰ প্ৰেক্ষাপট আৰু তাৎপৰ্য ব্যাখ্যা কৰক।

(d) 'পুৰণি অসমৰ চিত্ৰকলা' এই শীৰ্ষক এটি নিবন্ধ যুগুত কৰক।

(e) পুৰণি অসমত প্ৰচলিত শৈৱ ধৰ্মৰ উৎস আৰু বিস্তাৰ সম্পৰ্কে এটি টোকা লিখক।

★★★